# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 16-03-2025
**Time :** 1800 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::

বড়োলেণ্ডৰ উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কোকৰাঝাৰত প্ৰকাশ কৰিছে। কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিবেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শ্ৰীশ্বাহে কয় যে কেন্দ্ৰীয় চৰকাৰ বড়ো চুক্তিৰ সকলো দফা ৰূপায়ণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই চুক্তিৰ ৮২ শতাংশ দফা ইতিমধ্যে ৰূপায়ণ কৰা হৈছে বুলি তেওঁ সদৰি কৰে। চুক্তিৰ বাকী থকা দফাসমূহ অহা দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। পূৰ্বে বড়োলেণ্ড হিংসাৰ বাবে জনাজাত আছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে সম্প্ৰতি এই অঞ্চলৰ যুৱ চামে উন্নয়নক অগ্ৰাধিকাৰ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্-দৰ্শনত এই অঞ্চলৰ যুৱ চাম মূলসুঁতিলৈ ঘূৰি অহা বুলি উল্লেখ কৰি তেওঁ বি টি আৰত সম্প্ৰতি শান্তি বিৰাজ কৰা বুলিও মন্তব্য কৰে। নতুন দিল্লীত শীঘ্ৰেই উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰা হ'ব বুলিও শ্ৰীশ্বাহে সদৰি কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ মূল্যবোধৰ দৰ্শন সকলোৰে বাবে পথ প্ৰদৰ্শক স্বৰূপ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বি টি আৰ অঞ্চলৰ শৈক্ষিক আন্তঃগাঁথনি ত্বৰান্বিত কৰাৰ বাবে কেইবাটাও প্ৰকল্পৰ বিষয়ে ঘোষণা কৰে। ড০ শৰ্মাই  কোকৰাঝাৰ, গেলেপু, গুৱাহাটী ৰেলপথ, বড়োফাৰ সমাধি ক্ষেত্ৰৰ সংবৰ্দ্ধন তথা পহিলা মে'ত ৰাজ্যজুৰি বড়োফাৰ স্মৃতিতৰ্পন, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উন্নীতকৰণ, কোকৰাঝাৰ বিশ্ববিদ্যালয়ক পূৰ্ণাংগ বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণ, ওদালগুৰিত এখন নতুন মহাবিদ্যালয় স্থাপন, বড়োলেণ্ডত স্নাতক পৰ্যায়লৈ বড়ো ভাষা শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ, ৩৫খন উচ্চ মাধ্যমিক বিদ্যালয়ক আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ, অঞ্চলটোত এহেজাৰ ২০০ মেগাৱাট বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপনকে ধৰি কেইবাটাও পৰিকল্পনাৰ বিষয়ে সদৰি কৰে।

০০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই টিংখং সমষ্টিৰ তিনঠেঙীয়া গাঁও পঞ্চায়তৰ অধীনৰ বৰহোলাৰ পৰা পন্ধুৱালৈ পথৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনৰ এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিকাশ যাত্ৰা পদক্ষেপৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰ সৰ্বাত্মক প্ৰগতি ত্বৰান্বিত কৰাৰ বাবে সাজু হৈ উঠিছে।

০০০০০

গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত শিল্পী চৈয়দ চাদুল্লা লৈ আগবঢ়োৱা হৈছে। কালি যোৰহাটৰ হাতীগড় নাওশলিয়াত থকা মঘাই ওজা কলাক্ষেত্ৰত সমাজে আয়োজন কৰা গণশিল্পীগৰাকীৰ ৪৫ সংখ্যক মৃত্যু দিৱসত এই ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, চৈয়দ চাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা ১৯৭৭ চনতে

গণশিল্পীগৰাকীৰ তেওঁৰ ঢোলবাদন বাণীবদ্ধ কৰি তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত তেওঁ মঘাই ওজাক লৈ গীত ৰচনা কৰি আকাশবাণীত বাণীবদ্ধ কৰাৰ লগতে গণশিল্পীগৰাকীৰ জীৱন সম্পৰ্কীয় আলেখ্যও ৰচনা কৰিছিল। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ সমাজে প্ৰকাশ কৰিছে।

০০০০০

লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত চি আই ডি এফ আঁচনিৰ অধীনত আজি অলপতে আধুনিকীকৰণ কৰা লখিমপুৰ জিলা গ্ৰন্থাগাৰ মুকলি কৰা হয়। গৃহ আৰু নগৰ পৰিক্ৰমা তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই গ্ৰন্থাগাৰটো মুকলি কৰি কয় যে এই পদক্ষেপৰ জৰিয়তে সমগ্ৰ অঞ্চলটোৰ জনসাধাৰণ উপকৃত হ'ব। এই পুঁথিভলাৰটোত বিজ্ঞান, ইতিহাস, সাহিত্য আৰু কলাকে ধৰি বিভিন্ন বিষয়ৰ আলোচনী, গ্ৰন্থ, পত্ৰিকা তথা বাতৰি কাকতৰ মেটমৰা সম্ভাৰৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি পুঁথিভৰালটোৰ সৈতে অত্যাধুনিক সা-সুবিধাৰে সজ্জিত এটা প্ৰেক্ষাগৃহও মুকলি কৰা হয়। আজিৰ অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা, লখিমপুৰ জিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ধেমাজি জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত এদিনীয়া কাৰ্যসূচীৰে আজি কৃষক মেলা ২০২৫ অনুষ্ঠিত হয়। কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ, এ টি এম এৰ সৌজন্যত আৰু জিলা কৃষি বিভাগৰ উদ্যোগত অনুষ্ঠিত কৃষক মেলাত আধুনিক কৃষি প্ৰযুক্তি প্ৰদৰ্শন হোৱাৰ লগতে কৃষি বিশেষজ্ঞই কৃষকসকলক বিভিন্ন পৰামৰ্শ আগবঢ়ায়। প্ৰায় ১৫ খন বিপণী থকা কৃষক মেলাখনত জনজাতি উন্নয়ন পৰিষদ, ধেমাজিৰ অধ্যক্ষ, কৃষি বিষয়া, কৃষি বিজ্ঞানী, কৃষক আৰু আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে।

০০০০০

গোলাঘাট জিলাৰ সামাজিক বেচৰকাৰী অনুষ্ঠান যোদ্ধাৰ উদ্যোগত আজি খুমটাইত হাফ মাৰাথান দৌৰ অনুষ্ঠিত হয়। ৰাজ্যত বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত ড্ৰাগছৰ ব্যৱহাৰ তথা গুতখা জাতীয় সামগ্ৰীৰ ব্যৱহাৰৰ বিৰুদ্ধে সামাজিক সচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত খুমটাই সমষ্টিৰ বিধায়ক মৃনাল শইকীয়াৰ লগতে কেইবাশ শিশু, চেমনীয়া আৰু  পুৰুষ মহিলাই অংশগ্ৰহণ কৰে।

০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ দঞি-পঃল সাংস্কৃতিক ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মিছিং জনগোষ্ঠীৰ উৎসৱ **গিনমুৰ পঃল দৃৰবৃ যুমদেং** আৰু কেন্দ্ৰীয় আলি-আঃয়ে-লৃগাঙৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। আজিৰ অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভূৱন পেগু, মিছিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙ্গীয়া আৰু পৰিষদৰ অধ্যক্ষ সুনীল পেগু উপস্থিত থাকে। এই অনুষ্ঠানতেই সাংসদ প্ৰদান বৰুৱাই চিলাপথাৰৰ দঞি-পঃল সাংস্কৃতিক ক্ষেত্ৰত প্ৰায় ৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এহেজাৰ ২০০ আসন থকা অত্যাধুনিক প্ৰেক্ষাগৃহটো উদ্বোধন কৰে।

০০০০

সমাপ্ত